# ভাৰতে অতিক্ৰম কৰিব লগা প্ৰত্যাহ্বানসমূহ

*ৰাজ্য সভাৰ বিৰোধী দলৰ নেতা অৰুণ জেটলিয়ে ৩১ জানুৱাৰীত মুম্বাই বিশ্ববিদ্যালয়ৰ কে চি মহাবিদ্যালয়ত প্ৰদান কৰা কে এম কুন্দনানি স্মাৰক বক্তৃতাৰ সংক্ষিপ্ত অংশ*

আমি আশা আৰু ঘৃণা ভৰা উক্তিৰ এক যুগত বাস কৰো। যেতিয়া আমি আমাৰ চাৰিওফালে বিষণ্নতাৰে ভৰা পৰিৱেশ দেখা পাও মতামতো আপোনা আপোনি ঘৃণা ভৰা হ'বলৈ ধৰে। অৱশ্যে ভাৰতে উল্লেখনীয় নমনীয়তা প্ৰদৰ্শন কৰিছে। সেয়েহে নমনীয়তাৰ এই অনুভূতিয়ে ঘৃণা ভৰা মনোভাৱক দমন কৰিবলৈ সক্ষম হ'ব বুলি আশা সজীৱ হৈ আছে।

আমাৰ জনসংখ্যাৰ ষাঠি শতাংশই জীৱন নিৰ্বাহৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। কৃষিয়ে সৰ্বমুঠ ঘৰুৱা উৎপাদনলৈ মাথোঁ ১৬ শতাংশহে অৱদান আগবঢ়ায়। আনহাতে এইক্ষেত্ৰত সেৱাখণ্ডৰ অৱদান প্ৰায় ৬০ শতাংশ। ভাৰতত সেৱা খণ্ড সম্পূৰ্ণৰূপে চৰকাৰৰ নীতি অথবা আন্তঃগাঁথনিৰ অবাৱৰ ওপৰত নিৰ্ভৰশীল নহয় বাবেই ইয়াৰ বিকাশ ঘটিছে। এয়া আমাৰ বাবে এক বৃহত প্ৰত্যাহ্বান যে- আমি কৃষিখণ্ডত হোৱা কম পৰিমাণৰ কৰ্মসংস্থাপনৰ সমস্যাক, কৃষিখণ্ডৰ পৰা বৃহত পৰিমাণৰ লোকক উৎপাদন খণ্ড অথবা সেৱা খণ্ডলৈ স্থানান্তৰিত কৰি সমাধান কৰিবলৈ প্ৰয়াস কৰিছো।

ৰাজনীতিৰ মানদণ্ড

সংসদীয় গণতন্ত্ৰত ৰাজনীতিয়ে দেশৰ জনজীৱনক প্ৰভাৱিত কৰে। ৰাজনীতিয়ে দেশৰ নীতি তৈয়াৰ কৰে। সেই নীতিয়ে স্থিৰ কৰে দেশ কোন দিশে আগুৱাব। সেয়েহে যিসকল লোকে দেশ শাসন কৰিছে, তেওঁলোকৰ মানদণ্ড এনে হয় যেন তেওঁলোকে দেশবাসীৰ প্ৰত্যাশা আৰু সুশাসনৰ চৰ্ত্ত পূৰণ কৰিব পাৰে। যদি অনুপযুক্ত শাসনৰ বাবেও দেশৰ সৰ্বমুঠ ঘৰুৱা উৎপাদন ৯ শতাংশ হাৰত বাঢ়িব পাৰে তেন্তে সুশাসন হ'লে সেই বৃদ্ধিৰ হাৰ কিমান হ'ব পাৰে! বিগত কেইবা দশক ধৰি ভাৰতত সংগঠিত ৰাজনৈতিক দলৰ সংখ্যা কমিছে। বহু দল একেটা পৰিয়ালৰ চাৰিওফালে ঘেৰি থকা দলৰূপে পৰিগণিত হৈছে। কিছুমান দলৰ বাবে মাথোঁ জাতি প্ৰধান, তেওঁলোকৰ সমৰ্থন জাতিভিত্তিক। এনে অসংগঠিত দলৰ মাজত কোনো গণতন্ত্ৰ নাই। দলৰ নেতা হয় পৰিয়ালৰে বংশধৰসকল। আমি দেখিছো, বিশ্বৰ সৰ্ববৃহত গণতন্ত্ৰত যোগ্যতাৰ ভিত্তিত নেতা হোৱাৰ পৰিৱৰ্তে পৰিয়ালভিত্তিক নেতা হৈছে। অৰ্থাত ইয়াত পৰিয়ালভিত্তিক গণতন্ত্ৰ চলিছে। এনে হ'লে ৰাজনীতিৰ মানদণ্ড হ্ৰাস পাবলৈ বাধ্য। এতিয়া চালকৰ আসনত এই পৰিয়ালকেন্দ্ৰিক ব্যৱস্থা। শক্তিশালী নীতিৰ পৰিৱৰ্তে জাতিভিত্তিক জনপ্ৰিয়তাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই প্ৰৱণতা স্বত্বেও আশাৰ ৰেঙণি আছে। ভাৰতত

মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা বৃদ্ধি পাইছে। যাৰ উচ্চাকাংখা আছে তেওঁলোক প্ৰসাৰিত হৈছে। জনসাধাৰণ অধৈৰ্য হৈ পৰিছে। জনমতে একমাত্ৰ ৰাজনীতিৰ দিশ পৰিৱৰ্তন কৰিব পাৰে। ভাৰতত প্ৰকৃত গণতন্ত্ৰ তেতিয়াহে বিকশিত হ'ব যেতিয়া পদবী আৰি জাত-পাতৰ পৰিৱৰ্তে দক্ষতা আৰু সংহতিয়ে অগ্ৰাধিকাৰ পাব। ই সুশাসনক প্ৰভাৱিত কৰে।

নীতি অসাৰতা আৰু দাৰিদ্ৰতা দূৰীকৰণ

সুশাসনৰ বাবে সৱল নেতৃত্বৰ প্ৰয়োজন। নীতি তৈয়াৰ কৰাৰ ক্ষেত্ৰত দৃঢ় সিদ্ধান্তৰ প্ৰয়োজন। নেতৃত্বৰ বিশ্বাসযোগ্যতাৰ প্ৰয়োজন। ভাৰতৰ আৰ্থিক নীতিয়ে ক্ৰমাত সহমত বিচাৰিছে। অহা দশকত আমি ৯ শতাংশ বা ততোধিক আৰ্থিক বৃদ্ধি বিচাৰো। ৯ শতাংশ বৃদ্ধিৰ হাৰ যদি অব্যাহত থাকে তেন্তে বিনিয়োগ বাঢ়িব, চাকৰিৰ সুযোগ সৃষ্টি হ'ব। চৰকাৰে আৰু বেছি ৰাজহ পাব। বৰ্ধিত ৰাজহ আন্তঃগাথঁনি আৰু সামাজিক ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা যাব। দাৰিদ্ৰতা দূৰীকৰণৰ আঁচনিসমূহে অধিক ক্ষিপ্ৰতা পাব। দুৰ্ভাগ্যজনকভাৱে বিগত কিছু বছৰ ধৰি ৰাজনৈতিক নেতৃত্বৰ মাজত নীতিৰ অসাৰতাই দেখা দিছে আৰু তেওঁলোকৰ বিশ্বাসযোগ্যতা হ্ৰাস পাইছে। যিটো প্ৰয়োজন সেয়া হ'ল, দাৰিদ্ৰতা দূৰীকৰণ প্ৰকল্প আৰু আয়ৰ প্ৰকল্পসমূহৰ মাধ্যমেৰে সামাজিক সম্পদ তৈয়াৰ কৰিব লাগিব। দুৰ্বল শ্ৰেণী বিশেষকৈ আদিবাসীসকলৰ মানদণ্ড উন্নত কৰা, তেওঁলোকৰ স্বাস্থ্য, শিক্ষা, গ্ৰাম্যাঞ্চলৰ আন্তঃগাঁথনি সঠিক ৰূপত গঢ় দিয়াতো আজিৰ দিনৰ সকলোতকৈ বৃহত প্ৰত্যাহ্বান।

আমি কি দৰে ৯ শতাংশ বৃদ্ধি সুনিশ্চিত কৰিম

৯ শতাংশ বৃদ্ধি নিশ্চিত কৰিবলৈ গ'লে ভাৰতে সুনিৰ্দিষ্ট নীতি গ্ৰহণ কৰিব লাগিব। আমাৰ আন্তঃগাঁথনিৰ ব্যাপক উন্নয়ণ ঘটাব লাগিব। দুৰ্ভাগ্যজনকভাৱে দূৰ সংযোগ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ সাফল্যৰ সুফল দুৰ্নীতিৰ বাবে বিনষ্ট হৈছে। পৰিৱেশ সুৰক্ষাৰ নামত এক নতুন লাইচেন্সৰাজ সৃষ্টি কৰি বৃহত আকাৰৰ উদ্যোগ বন্ধ কৰি দিয়াতো দুৰ্ভাগ্যজনক। অৰ্থনীতি আৰু পৰিৱেশ ৰক্ষা দুয়োটা বিষয় হাতত হাত মিলাই চলিব লাগিব। উৎপাদনক্ষেত্ৰৰ সংস্কাৰ ঘটোৱা অত্যন্ত প্ৰয়োজন। আমি এনে এক যুগত বাস কৰিছো য'ত ক্ৰেতাই সেই সম্পদহে ক্ৰয় কৰে যি সস্তা। সেয়েহে সাফল্যৰ চৰ্ত্ত হ'ল কম খৰচত উৎপাদন। সুদৰ হাৰ যুক্তিসংগত কৰা, আন্তঃগাঁথনি উন্নত কৰা, বিদ্যুত ক্ষেত্ৰৰ সংস্কাৰ সাধন কৰা, আন্তৰ্জাতিক দৰত কেঁচামাল উপলব্ধ কৰাতো হ'ল বৰ্তমান সকলোতকৈ জৰুৰী বিষয়।

ৰাষ্ট্ৰীয় ঘাইপথ, বিমানবন্দৰ, বন্দৰ, গ্ৰাম্য পথৰ ওপৰত গুৰুত্ব দিব লাগিব। পৰ্যটনৰ সম্ভৱনা ব্যৱহাৰ কৰাত ভাৰত ব্যৰ্থ হৈছে। ইয়াৰ বাবে প্ৰয়োজন কম দামী হোটেল, ভাল

বিমানবন্দৰ আৰু ৰে'ল ষ্টেছন। পৰ্যটনৰ সৈতে জড়িত বিষয়সমূহত কৰ হ্ৰাস কৰা প্ৰয়োজন। উচ্চ হাৰৰ কৰ হ'ল হ্ৰস্বকালীন ব্যৱস্থা। ইয়াৰ পৰা দীৰ্ঘম্যাদী কোনো সুফল নাই। কৰৰ হাৰ আন্তৰ্জাতিক মানৰ সমান হোৱা প্ৰয়োজন। বিদেশলৈ সামগ্ৰী ৰপ্তানি কৰিব পৰা যায়। ইয়াৰ দ্বাৰা ৰপ্তানি কৰ আদায় হ'ব। আমি সাফল্যৰ যথেষ্ট গল্প শুনিছো। সাম্প্ৰতিক কালত আমি শিক্ষা প্ৰতিষ্ঠান, তথ্য প্ৰযুক্তি, দূৰ সংযোগ, ঔষধ, গাড়ী নিৰ্মাণৰ শিল্প, চহৰৰ আবাসক্ষেত্ৰৰ যথেষ্ট সাফল্যৰ কথা শুনিছো। এক নতুন আইন, নতুন নীতি তৈয়াৰ কৰি ইয়াক আৰু আগুৱাই নিয়া প্ৰয়োজন, ইয়াক যাতে কোনো কাৰণতে বাধা দিয়া নহয়।

মিত্ৰজোঁট চৰকাৰ

শিখৰ আৰোহণ কৰা নেতা আৰু বিশাল সংখ্যাগৰিষ্ঠতাৰ দিন ওকলি গৈছে। আজি কোনো দলেই বিশাল সংখ্যাগৰিষ্ঠতাৰে ক্ষমতা দখল কৰিব নোৱাৰে। ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি হৈছে। স্বাধীনতাৰ পিচত প্ৰথম কেইবছৰমানৰ প্ৰেক্ষাপটক দেশৰ ঐক্য আৰু সংহতিয়ে ছানি ৰাখিছিল। সাৰ্বভৌমত্ব আছিল প্ৰধান আগ্ৰহৰ বিষয়। এই সাৰ্বভৌমত্বৰ বিষয়টো স্থিৰ হৈ পৰাৰ পিছতে প্ৰধান বিষয় হৈ পৰিল অৰ্থনীতি, দাৰিদ্ৰতা দূৰীকৰণ আৰু আঞ্চলিক আকাংখা। আজি আন এক আগ্ৰহৰ বিষয় হ'ল যুক্তৰাষ্ট্ৰীয় গাঁথনি। আজি যুক্তৰাষ্ট্ৰৰ অৰ্থ হ'ল ৰাজ্যৰ আঞ্চলিক দলৰ সৈতে ক্ষমতা ভাগ কৰি লোৱা। মিত্ৰজোঁটৰ মূল হ'ব এটা ৰাষ্ট্ৰীয় দল। লোকসভাত তেওঁলোকৰ যথেষ্ট সাংসদ থাকিব। আঞ্চলিক দলসমূহে ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিব। তেওঁলোকে স্থিৰ কৰিব নতুন দিল্লীত কোনে শাসন কৰিব। মিত্ৰজোঁটে যাতে মসৃণভাৱে কাম কৰে তাৰ বাবে প্ৰয়োজন প্ৰধান দলৰ হৃদয়ৰ পৰিধি বহল হোৱা। তথা তেওঁলোকে আঞ্চলিক দলসমূহক স্থান দিব। আঞ্চলিক দলসমূহে এক ৰাষ্ট্ৰীয় দৃষ্টিভংগী লৈ চলিব। ইয়াৰ ফলত সুশাসন সম্ভৱ হ'ব পাৰে।

দুৰ্নীতি

দুৰ্নীতিয়ে আমাৰ শাসনৰ সুফল কাঢ়ি নিছে। দুৰ্নীতি হ'লে বিনিয়োগকাৰীয়ে উৎসাহ হেৰুৱাই পেলায়। ইয়াৰ ফলত দাম বৃদ্ধি পায়। দুৰ্নীতিৰ ফলত দূৰসংযোগ আৰু ৰাষ্ট্ৰীয় পথসমূহৰ ক্ষেত্ৰত আমাৰ সাফল্যৰ কাহিনী বাধাগ্ৰস্ত হৈছে। কয়লাক্ষেত্ৰ আৱন্টনৰ ক্ষেত্ৰত হোৱা দুৰ্নীতিৰ ফলত বিদ্যুত ক্ষেত্ৰ গভীৰ সংকটৰ সন্মুখীন হৈছে। প্ৰথমে ধাৰণা হৈছিল লাইচেন্সৰাজৰ অন্ত পৰিলে দুৰ্নীতি কমিব। কিন্তু তেনে হোৱা নাই। ভূমি সংক্ৰান্তীয় বিষয়, ৰিয়েল এষ্টেট, প্ৰাকৃতিক সম্পদৰ আৱন্টন, খনি, বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানত চৰম দুৰ্নীতি হৈছে।

এইটো অত্যন্ত দুৰ্ভাগ্যৰ বিষয় যে– স্বাধীনতাৰ ৬৫ বছৰ পিচতো ৰাজনৈতিক দলসমূহক বৰঙণি আগবঢ়োৱা বিষয়টো এতিয়াও অস্পষ্ট আৰু কাৰ্যতঃ অদৃশ্য। লোকপালৰ সন্দৰ্ভত সাম্প্ৰতিক সময়ত হোৱা বিতৰ্কই এটা কথা স্পষ্ট কৰি দিছে যে– দুৰ্নীতি বিৰোধী আইনসমূহ কঠোৰভাৱে ৰূপায়িত হোৱা প্ৰয়োজন। দুৰ্নীতি বিৰোধী এটা প্ৰতিষ্ঠানৰ বাবে জনসাধাৰণৰ যিমানেই হেঁচা নাথাকক লাগে চৰকাৰে স্বাধীন আৰু কাৰ্যক্ষম লোকপাল গঠন কৰিব পাৰে। এইক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল যে– চৰকাৰী কৰ্মীৰ বিৰুদ্ধে যি অভিযোগ উত্থাপিত হ'ব সেই সন্দৰ্ভত তদন্তকাৰী সংস্থাৰ স্বাধীনতা থাকিব লাগিব। তদন্তকাৰী হিচাপে সাধাৰণ পচন্দ হ'ল চি বি আই। চি বি আয়ে কি দৰে কাম কৰিব সেয়া কি কেন্দ্ৰীয় চৰকাৰে স্থিৰ কৰিব? চিলেক্ট কমিটীৰ পৰামৰ্শৰ ভিত্তিত কেন্দ্ৰীয় মন্ত্ৰীসভাই যি চূড়ান্ত খচৰা প্ৰস্তুত কৰিছে তাত মই কিছুমান গুৰুত্বপূৰ্ণ সালসলনিৰ পৰামৰ্শ আগবঢ়াইছো। চি বি আইৰ সঞ্চালকে অৱসৰৰ পাচত কোনো চৰকাৰী দায়িত্ব গ্ৰহণ কৰিব নোৱাৰিব। সেয়া হ'লে চি বি আইয়ে ভয় আৰু পক্ষপাতহীন ভাবে কাম কৰিব। লোকপালৰ অনুমতি অবিহনে তদন্তৰ মাজতে কোনো চি বি আই বিষয়াক বদলি কৰিব পৰা নহ'ব। তদন্ত আৰম্ভ কৰাৰ পূৰ্বে লোকপালে কোনো চৰকাৰী কৰ্মীৰ কথা নুশুনিব। কাৰণ চৰকাৰী কৰ্মীয়ে পূৰ্বে এইবিষয়ে অৱগত হ'লে যাৱতীয় তথ্য প্ৰমাণ নষ্ট কৰি পেলাব। লোকপালৰ নিয়োগৰ ক্ষেত্ৰত ধৰ্মৰ ভিত্তিত সংৰক্ষণ প্ৰযোজ্য নহ'ব। কাৰণ এইটো আমাৰ সংবিধানৰ পৰিপন্থী।

ন্যায্য আৰু স্বাধীন সমাজৰ নিৰ্মাণ

জাতি আৰু ধৰ্মৰ ভিত্তিত সামাজিক উত্তেজনাক নিৰ্মূল কৰিব লাগিব। দুই সম্প্ৰদায়ৰ মাজত নিয়মীয়া আলোচনাৰ প্ৰয়োজন আছে। সম্প্ৰদায়ৰ বিষয়ে মন্তব্য অতি সাৱধানে আৰু সংযতভাৱে আগবঢ়োৱা উচিত। পূৰ্ণতাপ্ৰাপ্ত সমাজৰ পৰিচয় হ'ল তেওঁলোক দৰদী আৰু ভয়ভীতহীন হ'ব। দিল্লীৰ দলবদ্ধ ধৰ্ষণৰ ঘটনাই স্বাধীন সমাজৰ বিবেকক জোকাৰি গৈছে। মহিলাক এতিয়াও বঞ্চনাৰ এক আহিলা হিচাপে চোৱা হয়। সেই যুৱতীৰ সৈতে যি কাৰ্য কৰা হৈছে সেয়া অত্যন্ত ঘৃণনীয়। ভাৰত সভ্যতাৰ পৰীক্ষাত অনুত্তীৰ্ণ হৈছে।

অনুসূচীত জাতি আৰু জনজাতিয়ে এতিয়াও সুযোগ সুবিধাহীন পৰিৱেশত বাস কৰে। এনে অসামঞ্জস্যতা আঁতৰ কৰি সময় থাকোতেই আমি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। সংৰক্ষণ হ'ল দাৰিদ্ৰতাৰ পৰা মুক্তি পোৱাৰ এক ব্যৱস্থা। এইটো হ'ল ঐতিহাসিক অবিচাৰ দূৰ কৰাৰ ব্যৱস্থা।

ভাব প্ৰকাশৰ স্বাধীনতা সহ্য নকৰাতো হ'ল সাম্প্ৰতিক সময়ৰ এক প্ৰৱণতা। এটা ভাষণ বা চিনেমাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ সমগ্ৰ সমাজকে ত্ৰাসিত কৰা হৈছে। আনহাতে যিসকল জন প্ৰতিনিধিৰূপে আছে তেওঁলোকে সঠিক বাক্য বাছনি কৰিব লাগিব। তেওঁলোকৰ কথা যাতে উচতনিমূলক নহয়। সাম্প্ৰতিক সময়ত ব্যাপক দুৰ্নীতিৰ বাবে যিদৰে কিছুমান জাতিক দায়ী কৰা হৈছে তাক মই স্বীকাৰ নকৰো। মনত ৰখা উচিত যে- ভাব প্ৰকাশৰ স্বাধীনতাৰ সৈতে সংবিধানত দায়িত্বৰ কথাও কোৱা হৈছে।

সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদ

সীমান্তৰ সিপাৰৰ আৰু ঘৰুৱা সন্ত্ৰাসৰ ফলত ভাৰত অত্যন্ত গভীৰভাৱে প্ৰভাৱিত হৈছে।

দেশ বিভাজনৰ পিচত কাশ্মীৰ হ'ল পাকিস্তানৰ বাবে অসমাপ্ত কাৰ্যসূচী। পাকিস্তানে কেতিয়াও কাশ্মীৰক ভাৰতৰ অংগ হিচাপে স্বীকাৰ কৰিব পৰা নাই। প্ৰথমে যুদ্ধ, তাৰপিচত বিগত দুটা দশক ধৰি তেওঁলোকে সীমান্তৰ সিপাৰৰ পৰা সন্ত্ৰাস চলাইছে। বিগত কিছু বছৰ ধৰি তেওঁলোকে ভাৰতত মডিউল তৈয়াৰ কৰিছে। ইয়াৰ মাধ্যমেৰে তেওঁলোকে সন্ত্ৰাস আৰু হিংসা বিয়পাইছে।

পাকিস্তানে বুজিব লাগিব যে- সীমা পুনৰ তৈয়াৰ কৰাৰ যুগ ওকলি গৈছে। জগুিছ হোৱা চকুৰে ভাৰতৰ ফালে নাচাই পাকিস্তানে যেন নিজ দেশৰ হাজাৰ সমস্যা সমাধানৰ বাবে চকু দিয়ে। পাকিস্তানৰ ষ্টেট এক্টৰসকল সংসদ আক্ৰমণ, মুম্বাইত ২৬/১১ আক্ৰমণ, ভাৰতীয় সেনাৰ শিৰচ্ছেদ কৰাৰ দৰে ঘৃণনীয় কাম কৰিছে। পাকিস্তানত এতিয়া চৰকাৰ, আই এছ আই, সেনা, উগ্ৰপন্থী সংগঠনসমূহে নিজৰ নিজৰ কাৰ্যসূচী লৈ চলিছে। পাকিস্তানৰ সৈতে ভাৰত বা আমেৰিকাৰ সম্পৰ্ক স্বাভাৱিক কৰাতো তেতিয়াহে সম্ভৱ যেতিয়া তেওঁলোকে সন্ত্ৰাসবাদৰ প্ৰতি সমৰ্থন আগবঢ়োৱা সম্পূৰ্ণৰূপে বন্ধ কৰিব। পাকিস্তান যদি বেছি সতৰ্ক আৰু কম মৌলবাদী হয়, তেতিয়া তাত অসামৰিক চৰকাৰৰ প্ৰভাৱ বাঢ়িব আৰু ৰাষ্ট্ৰৰ ভিতৰত সন্ত্ৰাসক সমৰ্থন কৰা লোকৰ প্ৰভাৱ কমিব। তেতিয়াহে আমি পাকিস্তানৰ সৈতে সু-সম্পৰ্ক গঢ়ি তুলিব পাৰিম।

পাকিস্তানে বুজা উচিত কাশ্মীৰ ভাৰতৰ অবিচ্ছেদ্য অংগ। কাশ্মীৰৰ সাংবিধানিক চৰিত্ৰ নিৰ্ধাৰণ আৰু বাকী ভাৰতৰ সৈতে ইয়াৰ সম্পৰ্ক স্থিৰ কৰাৰ সময়ত আমি ঐতিহাসিক ভুল কৰিছো। এতিয়া যিটো প্ৰয়োজন সেয়া হ'ল সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদৰ বিৰুদ্ধে হোৱা যুঁজত কাশ্মীৰৰ জনসাধাৰণক লগত লৈ আগবাঢ়িব লাগিব। কাশ্মীৰি যুৱকসকলৰ মাজত

উচ্চাকাংখী শ্ৰেণী তৈয়াৰ হৈছে। আমাৰ নীতি হোৱা উচিত বিচ্ছিন্নতাবাদ বিৰোধী আৰু জনসাধাৰণৰ পক্ষে।

ভাৰতৰ সন্মুখত থকা আন এক প্ৰত্যাহ্বান হ'ল মাওবাদী হিংসা। সমগ্ৰ দেশৰ ২০০ খন জিলা, যাৰ ভিতৰত দেশৰ মাজভাগৰ জিলাও আছে, মাও প্ৰভাৱিত। আদিবাসী এলেকাত মাওবাদীৰ প্ৰতি সমৰ্থন অতি বেছি। ভাৰতৰ আৰ্থিক অধিকাৰ প্ৰথমে আদিবাসীসকলৰ ওচৰত থকা উচিত। তেওঁলোকৰ এলেকা হ'ল সকলোতকৈ পিছপৰা আৰু অনুন্নত এলেকা। কিন্তু কিছুমান মাওবাদী প্ৰভাৱিত এলেকালৈ যাবলৈ হ'লে আপোনালোকে লেণ্ড মাইন আৰু অস্ত্ৰৰ সন্মুখীন হ'ব লগা হ'ব। মাওবাদীসকল সামাজিক সংস্কাৰক নহয়। মাওবাদ কোনো দাৰিদ্ৰতা দূৰীকৰণ প্ৰকল্প নহয়। মাওবাদ হ'ল ভাৰতৰ গণতান্ত্ৰিক সংসদীয় ব্যৱস্থাক উৎখাত কৰাৰ চেষ্টা। মাওবাদীয়ে যি অস্ত্ৰ ব্যৱহাৰ কৰে তাৰ সিংহভাগ হ'ল ভাৰতীয় নিৰাপত্তা বাহিনীৰ। মাওবাদী এলেকাৰ পৰা মাওবাদীসকলক শেষ কৰাৰ বাবে আমাৰ উন্নয়ণ আৰু নিৰাপত্তামূলক ব্যৱস্থা এই দুমুখীয়া নীতি গ্ৰহণ কৰিব লাগিব।

জনসংখ্যা হ'ল সম্পদ

ভাৰত হ'ল যুৱচামৰ দেশ। কেৱল ভৌগোলিক বিভাজনৰ ওপৰত ভৰসা কৰা উচিত নহয়। উন্নত দেশত জনবল কম। ক্ৰমশঃ হ্ৰাস পোৱা জনসংখ্যাৰে তেওঁলোকে নিজৰ অৰ্থনীতিক চম্ভালিব নোৱাৰিব। আমাৰ দেশত মধ্যবিত্ত আৰু উচ্চাকাংখী শ্ৰেণীৰ সংখ্যা, শিক্ষা আৰু মানৱ সম্পদ বৃদ্ধি পাইছে। ফলত আমি প্ৰশিক্ষিত মানৱ মন তৈয়াৰ কৰিব পাৰিছো। উন্নত দেশৰ এয়া প্ৰয়োজন। আমি আমাৰ এই বৰ্ধিত জনসংখ্যাক আৰ্থিক দিশত ব্যৱহাৰ কৰিব পাৰো। ভাৰত আৰু উন্নয়ণশীল দেশৰ মাজত ভৌগোলিক ব্যৱধানৰ বাবে এইটো সম্ভৱ হৈছে।

ভাৰত হ'ল 'চফট পাৱাৰ'

ভাৰতৰ ইতিহাস, আমাৰ সংস্কৃতি, আমাৰ সভ্যতা, আমাৰ জনসংখ্যা, আমাৰ প্ৰাকৃতিক সম্পদ তথা তাৰ সৈতে ভাৰতৰ বিশেষ ৰাষ্ট্ৰীয় পৰিচয়ৰ যাৱতীয় প্ৰতীক যেনে আমাৰ খেল, চিনেমা, সাহিত্য সকলোৱে ভাৰতক 'চফট ষ্টেট' কৰাৰ সম্ভাৱনাই দেখা দিছে।

সময়ৰ অভাৱৰ বাবে মই সাধাৰণ কিছুমান প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰিলো। মোৰ সম্পূৰ্ণ বিশ্বাস আছে আমি যদি এই 'গেম প্লেন' লৈ কাম কৰো, আমাৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰো, তেন্তে সেই দিন বেছি দূৰৈত নাই যেতিয়া আশাই হতাশাক পৰাজিত কৰিব।